নঞৰ্থক দিশ (Negative Aspects- The Theaetetus) প্লেটোৰ জ্ঞানতত্ত্বৰ নঞৰ্থক দিশৰ ব্যাখ্যা লক্ষ্য কৰা যায় তেওঁৰ সৰ্বোত্তম

সংলাপ 'Theaetetus'ত। 'Theaetetus' সংলাপখন চক্রেটিছ আৰু থিয়েটেটাচৰ কথোপকথনৰ আকাৰত ৰচিত। নক'লেও হ'ব যে, চক্রেটিছ আছিল প্লেটোৰ শিক্ষক চক্রেটিছৰ মুখৰ বাণী প্রকৃততে প্লেটোৰে বাণী। এই গ্রন্থৰ যোগেদি প্লেটো গুৰু আৰু আৰু থিয়েটেটাচ হ'ল এজন তৰুণ গণিতবিদ প্লেটোৰ একাডেমিৰ ছাত্র। ইয়াত শিষ্যৰ প্রতি গভীৰ শ্রদ্ধা জ্ঞাপন কৰিছে। 'Theaetetus' উদ্দেশ্য হ'ল সেই সময়ত প্রচলিত জ্ঞান সম্পকীয় কিছুমান ভ্রান্ত মতবাদ খণ্ডন কৰা। জ্ঞানৰ সংজ্ঞা আৰু লক্ষণ নিৰ্ধাৰণ এই সংলাপৰ মুখ্য উদ্দেশ্য। কিন্তু শেষ পৰ্যন্ত 'Theaetetus' সংলাপত কোনো সিদ্ধান্ত উপনীত হ'ব পৰা নাই। ইয়াত কেবল জ্ঞান সম্পৰ্কীয় তিনিটা ভ্রান্ত মতবাদ খণ্ডনহে কৰা হৈছে। জ্ঞান সম্পৰ্কীয় এই তিনিটা ভ্রান্ত মতবাদ হলঃ

১। ইন্দ্রিয় প্রত্যক্ষই জ্ঞান (Knowledge is sense-perception),

২। অভিমত বা বিশ্বাস জ্ঞান (Knowledge is true belief or opinion)

৩। ব্যাখ্যামূলক সত্য বিশ্বাস জ্ঞান (Knowledge is true belief plus an account)।

## ১। ইন্দ্ৰিয়-প্ৰত্যক্ষই জ্ঞান (Knowledge is Sense-perception)

জ্ঞানৰ প্ৰস্তাৱিত সংজ্ঞাবোৰৰ ভিতৰত প্ৰথম সংজ্ঞাটো হ'ল 'ইন্দ্ৰিয় প্ৰত্যক্ষই জান' (Knowledge is sense-perception)। থিয়েটেটাচৰ ভাষাত, “মই ভাবোঁ, যেতিয়া কোনো ব্যক্তি কিবা বিষয়ে জানে তেতিয়া তেওঁ প্ৰত্যক্ষণৰ মাধ্যমেদি তাক জানে, আৰু বৰ্তমানত মই যিমান দূৰ সম্ভৱ লক্ষ্য কৰিছোঁ, জ্ঞান প্ৰত্যক্ষণ ভিন্ন আন একো নহয়".

## জ্ঞান আৰু অভিমত (Knowledge and Opinion)

আৰু ইহঁতৰ পাৰ্থক্য অতি বিস্তৃতভাবে আলোচিত হৈছে। আলোচনাৰ প্ৰাকক্ষণত প্লেটোৰ জ্ঞানতত্ত্বৰ সদৰ্থক দিশত জ্ঞান আৰু অভিমতৰ স্বৰূপ বা প্ৰকৃতি অভিমত আৰু জ্ঞানৰ পাৰ্থক্য বা স্বৰূপ জানি লোৱা ভাল।
জ্ঞান আৰু অভিমত বা বিশ্বাস দুটা ভিন্ন বিষয়। ইহঁত দুটা অভিন্ন হ'ব নোৱাৰে। জ্ঞান আৰু অভিমত বা বিশ্বাসৰ মাজত বহু পাৰ্থক্যই বৰ্তমান। এই পাৰ্থক্যবোৰৰ ভিত্তিত আমি এইটো প্ৰমাণ কৰিব পাৰোঁ যে, জ্ঞান সত্য বিশ্বাস বা অভিমত নহয়। জ্ঞান আৰু সত্য বিশ্বাস বা অভিমতৰ মাজত থকা পাৰ্থক্যসমূহ নিম্নৰূপ:

১। জ্ঞান অভ্রান্ত (infallible) আৰু সৎ বিষয়ক (of what is)। জ্ঞান কেতিয়াও ভ্ৰান্ত আৰু বিষয়হীন নহয়। বিপৰীতে, বিশ্বাস বা অভিমত ভ্ৰান্ত আৰু বিষয়হীন হ'ব পাৰে। অভিমত আৰু বিষয় অনুসৰি বিষয় থাকিবও পাৰে, নাথাকিবও পাৰে; অভিমত বা বিষয় অনুসাৰে ঘটনা ঘটিবও পাৰে, নঘটিবও পাৰে।

২। অভিমত বা বিশ্বাস সত্য নাইবা মিথ্যা হ'ব পাৰে। কিন্তু জ্ঞান সৰ্বদা সত্য, জ্ঞান কেতিয়াও মিথ্যা হ'ব নোৱাৰে। মিথ্য বিশ্বাস বা অভিমত জ্ঞান নহয়। কিন্তু সত্য বিশ্বাসকো জ্ঞান বুলিব নোৱাৰি। মোৰ বিশ্বাস থাকিব পাৰে যে, 'অহাকালি ধাৰাষাৰ বৰষুণ হ'ব' আৰু ধৰাহ'ল মোৰ বিশ্বাস অনুসাৰে সঁচাকৈ অহাকালি ধাৰাষাৰ বৰষুণ হ'ল। ইয়াত মোৰ বিশ্বাস অনুসৰি ঘটনাটো ঘটিলেও অৰ্থাৎ বিশ্বাস সত্য হলেও ইয়াক জ্ঞান বুলিব নোৱাৰি

৩। বিশ্বাস বা অভিমত অস্থায়ী (unstable) আৰু অনিশ্চিত (uncertain) আনহাতে, জ্ঞান হ'ল স্থায়ী আৰু সুনিশ্চিত। জ্ঞান গঠন হয় বিশুদ্ধ যুক্তিৰ দ্বাৰা, বৃদ্ধি বিচাৰ-বিশ্লেষণ প্ৰক্ৰিয়াৰ দ্বাৰা। কিন্তু অভিমত বা বিশ্বাসৰ আঁৰত বিশুদ্ধ যুক্তিৱ উপস্থিতি সুনিশ্চিত নহয়।

৪। জ্ঞান বস্তুনিষ্ঠ আৰু সাৰ্বিক। কিন্তু অভিমত বা বিশ্বাস ব্যক্তিকেন্দ্ৰিক, দেশ-কাল ভেদে ভিন্ন। কোনো এটা অভিমত এজন ব্যক্তিৰ বাবে বা এখন দেশত স্বীকৃত হ'লেও আন এজন ব্যক্তি বা আন এখন দেশত অস্বীকৃত হ'ব পাৰে। কিন্তু জ্ঞান সৰ্বদা দেশ-কাল-ব্যক্তি ভেদে অভিন্ন আৰু সাৰ্বজনীন।

৫। প্লেটোৰ মতে, জ্ঞানৰ বিষয় সৰ্বদা সত্য আৰু সত্তাযুক্ত। জ্ঞান নিশ্চয়কৈ বিষয়বস্তুক আশ্ৰয় কৰি থাকে যাৰ বাস্তৱ সত্তা আছে। কিন্তু বিশ্বাস বা অভিমত এনে নহয়। জ্ঞানৰ বিষয় হ'ল আকাৰ বা সামান্য বা জাতি (Idea) আৰু অভিমতৰ বিষয় হ'ল ইয়াৰ প্ৰতিবিম্ব বা অনুলিপি বা নকল (copy)।

দাৰ্শনিক প্লেটো ওপৰোক্ত পাৰ্থক্যৰ ভিত্তিত এই সিদ্ধান্তত উপনীত হৈছে যে, অভিমত বা বিশ্বাস আৰু জ্ঞান একে নহয়। গতিকে অভিমত বা বিশ্বাস জ্ঞান হ'ব নোৱাৰে।

৩। ব্যাখ্যামূলক সত্য বিশ্বাস জ্ঞান (Knowledge is True Belief plus an Account)

ইন্দ্ৰিয় প্ৰত্যক্ষ আৰু অভিমত বা বিশ্বাস খণ্ডিত হোৱাৰ পিছত থিয়েটেটাচ জ্ঞানৰ আন এটা সংজ্ঞা প্ৰদান কৰে। এই সংজ্ঞা অনুসৰি 'জ্ঞান হ'ল ব্যাখ্যামূলক সত্য বিশ্বাস' (knowledge is true belief plus an account)। কেৱল মাত্ৰ সত্য বিশ্বাস জ্ঞান বুলি প্ৰত্যাখিত হোৱাত থিয়েটেটাচ 'যৌক্তিক ব্যাখ্যা' (logical account) সহ সত্য বিশ্বাসক জ্ঞানৰ লক্ষণ হিচাপে প্ৰস্তাৱ কৰে।